# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 11-SEP-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম শতবাৰ্ষিকী উদযাপনৰ অংশ হিচাপে ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে দিল্লী, মুম্বাই, কলকাতা আৰু অৰুণাচল প্ৰদেশতো বৰ্ণাঢ্য কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বিশ্ববন্দিত শিল্পীগৰাকীৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা জনাই অহা ১৩ ছেপ্তেম্বৰত গুৱাহাটীত আয়োজিত অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই অনুষ্ঠানত ৰাজ্যৰ এহেজাৰৰো অধিক শিল্পীয়ে ভূপেন হাজৰিকাৰ ১৪টা গীত আৰু কবিতা পৰিৱেশন কৰিব। এই অনুষ্ঠানতে শিল্পীগৰাকীৰ এটি স্মাৰক মুদ্ৰা আৰু এখন জীৱনী গ্ৰন্থও উন্মোচন কৰা হ'ব।

প্ৰধানমন্ত্ৰীয়ে অহা ১৪ ছেপ্তেম্বৰত নুমলীগড় শোধনাগাৰত বিশ্বৰ প্ৰথমটো বাঁহভিত্তিক জৈৱ ইথানল প্ৰকল্প উদ্বোধন কৰিব। শ্ৰীমোদীয়ে ইয়াৰ পূৰ্বে মঙলদৈত প্ৰায় ৫৭৬ কোটি টকা ব্যয়েৰে দৰং চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ৰ লগতে এখন জি এন এম স্কুল আৰু এখন নাৰ্চিং মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে প্ৰায় ৭ হেজাৰ কোটি টকা ব্যয়েৰে ব্ৰহ্মপুত্ৰৰ ওপৰত নাৰেঙ্গী-কুৰুৱা সংযোগী দলং আৰু গুৱাহাটী ৰিং ৰোড প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰিব।

ooooo

হোজাইত পৰহিলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত আৰু হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ উদ্যোগত এই আদালতৰ আয়োজন কৰা হৈছে। ইয়াৰ জৰিয়তে আপোচযোগ্য বিভিন্ন গোচৰ যেনে- ফৌজদাৰী, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, মটৰ দুৰ্ঘটনাৰ দাবী আৰু নিষ্পত্তি, ন্যায়াধীকৰণৰ গোচৰ আৰু ৰাজহ সংক্ৰান্তীয় গোচৰসমূহ বিনামূলীয়াকৈ নিষ্পত্তিৰ দিহা কৰা হৈছে। ইয়াৰ উপৰি বেংকৰ লেনদেন, ঋণ সম্বন্ধীয় গোচৰ, টেলিফোন বিল, বিদ্যুৎ মাচুলকে ধৰি বিভিন্ন বিবাদ নিষ্পত্তিৰ ব্যৱস্থা কৰা হৈছে। হোজাই জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিবে আজি এখন সংবাদমেলযোগে এই বিষয়ে প্ৰকাশ কৰে।

ooooo

বিশ্ব বেংকৰ পুঁজিৰে অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা কাৰ্যসূচীৰ অধীনত আজি বান আৰু খহনীয়া ব্যৱস্থাপনা পৰিকল্পনা সন্দৰ্ভত বুঢ়ীদিহিং অৱবাহিকা সমিতিৰ দ্বিতীয়খন সভা আৰু কৰ্মশালা আজি ডিব্ৰুগড়ত অনুষ্ঠিত হয়। এই সভাত জিলাখনৰ অতিৰিক্ত আয়ুক্ত ডাঃ মণিকা বৰাৰ উপৰি ডিব্ৰুগড়, শিৱসাগৰ আৰু তিনিচুকীয়া জিলাৰ জলসম্পদ, জলসিঞ্চন, কৃষিকে ধৰি কেইবাটাও বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

ooooo

ধেমাজি জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতে আজি ২০২২ চনৰ ৭ আগষ্টত সংঘটিত এটা হত্যাকাণ্ডৰ গোচৰৰ ৰায়দান কৰি অভিযুক্তক যাৱজ্জীৱন সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰে। জিলা আৰু ছেছন ন্যায়াধীশ কল্যাণজিৎ শইকিয়াৰ আদালতে আজি গোচৰটোৰ চূড়ান্ত ৰায়দান কৰি অভিযুক্ত চিত্ৰ পাংগিঙক এই শাস্তি বিহে। অভিযোগ অনুসৰি এই অপৰাধীজনে ভক্ত বাহাদুৰ ছেত্ৰী নামৰ এজন লোকক নৃশংসভাৱে প্ৰহাৰ কৰি হত্যা কৰিছিল। ইয়াৰ পাছত নিহত লোকজনৰ পত্নীয়ে চিলাপথাৰ থানাত দাখিল কৰা এজাহাৰ মৰ্মে লোকজনৰ বিৰুদ্ধে গোচৰ ৰুজু হয়।

গোচৰৰ তদন্তকাৰী বিষয়া নবীন গগৈয়ে আদালতত দাখিল কৰা অভিযোগনামাৰ ভিত্তিত আজি আদালতে এই ৰায়দান কৰে।

ooooo

কাছাৰ আৰক্ষীয়ে দীৰ্ঘদিন ধৰি ভুৱা চিকিৎসা সেৱা আগবঢ়োৱা দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। জিলাখনত এতিয়ালৈকে মুঠ ৮ জন ভুৱা চিকিৎসকক গ্ৰেপ্তাৰ কৰা হৈছে। আজি গ্ৰেপ্তাৰ কৰা প্ৰথমজন অভিযুক্ত নিহাৰ হুছেইন মাজাৰ ভূঞা নামৰ লোকজনে বৰখলা বজাৰ অঞ্চলত ৰোগীক ভুৱা চিকিৎসা প্ৰদান কৰি আহিছিল। দ্বিতীয়জন অভিযুক্ত ৰাধেশ্যাম ৰবিদাসে জিৰিঘাট বাগান আৰু বজাৰ অঞ্চলত এম বি বি এছ পৰিচয়েৰে দীৰ্ঘদিন ধৰি চিকিৎসা প্ৰদান কৰি আহিছিল। দুয়োজন ভুৱা চিকিৎসকৰ বিৰুদ্ধে গোচৰ ৰুজু কৰা হৈছে আৰু সম্প্ৰতি তদন্ত অব্যাহত আছে।

ooooo

আজি ৰাষ্ট্ৰীয় বন ছহিদ দিৱস। দেশৰ বন ভূমি, পৰিৱেশ আৰু বন্যপ্ৰাণী সুৰক্ষাত জীৱন উৎসৰ্গা কৰা সেউজ যোদ্ধাসকলৰ প্ৰতি সন্মান জনাই প্ৰতিবছৰে ১১ ছেপ্তেম্বৰত এই দিৱস পালন কৰা হয়। বন ছহিদ দিৱস উপলক্ষে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত কৰ্তব্যৰত অৱস্থাত মৃত্যু হোৱা বনকৰ্মীসকলৰ সোঁৱৰণত আজি বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। বনাঞ্চলৰ সুৰক্ষাৰ স্বাৰ্থত প্ৰাণ আহুতি দিয়া বনকৰ্মী বলোৰাম নাথ, জিৰছং ইংতিকে ধৰি ৫৯ গৰাকী বন ছহিদৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। কাজিৰঙাৰ কঁহৰাৰ স্মৃতি উদ্যানত ছহিদসকলৰ স্মৃতিত বন্তি প্ৰজ্বলন কৰাৰ উপৰি বন ছহিদসকলৰ পৰিয়ালৰ সদস্য সম্বৰ্ধনা জনোৱা হয়। উল্লেখযোগ্য যে ১৯৬৮ চনত চোৰাং চিকাৰীৰ সৈতে হোৱা সংঘৰ্ষত মৃত্যু হোৱা বলোৰাম দত্ত হৈছে ৰাষ্ট্ৰীয় উদ্যানখনৰ প্ৰথমগৰাকী বন ছহিদ। একেদৰে চলিত বৰ্ষত কৰ্তব্যৰত অৱস্থাত নাও দুৰ্ঘটনাত বনকৰ্মী জিৰছং ইংতিয়ে প্ৰাণ হেৰুৱায়।

ooooo

ডিব্ৰুগড় জিলাৰ টেঙাখাত ভেকুলাজান নিবাসী সোণোৱাল কছাৰী সাহিত্য সভাৰ সম্পাদক দিগন্ত হাজৰিকাৰ যোৱানিশা উচ্চ ৰক্তচাপজনিত কাৰণত নিজা বাসগৃহত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৫১ বছৰ। তেওঁৰ মৃত্যুত সোণোৱাল কছাৰী স্বায়ত্ত শাসিত পৰিষদ, সোণোৱাল কছাৰী সাহিত্য সভাকে ধৰি অন্যান্য দল-সংগঠনে শোক প্ৰকাশ কৰিছে।

ooooo

সমাপ্ত